বিজ্ঞান – ধাৰাৱাহিক -- অবিৰাম বিকাশৰ ...

খণ্ড ৩০ – পৰ্ব্বতে ৰিঙিয়ায় ... ডঃ শ্যামা প্ৰসাদ শৰ্মা

(মূল লেখনীৰ পৰা তথ্য আৰু আভাস লোৱা হৈছে)

চৰিত্ৰসমূহ

| | | |
|---|---|---|
| ১. ব্ৰজবালা | ৭০-৭২ | আইতা |
| ২. মীৰা | ৯ – ১০ | ব্ৰজৰ সৰু ল’ৰাৰ ফালৰ নাতিনী |
| ৩. বিহুৰাম | ৫০-৫২ | ব্ৰজৰ ডাঙৰ ল’ৰা, পাঠশালাৰ প্ৰধান শিক্ষক |
| ৪. গিয়াচ | ৫০-৫২ | বিহুৰ সহপাঠী, চাহদোকানী |
| ৫. লোহিত | ৩০-৩২ | বৃহৎ ব্যৱসায় গোষ্ঠীৰ কৰ্মচাৰী |
| ৬. যজ্ঞৰাম | ৮৫-৮৬ | অভিজ্ঞ গঞা, সভাপতি |

(ঘোষণা আৰু শীৰ্ষ সংগীত)

(শিৱশক্তি পাহাৰৰ নামনিৰ এখন প্ৰাচীন গাওঁ। সময় সন্ধিয়া। নাতিদূৰৈত থকা মন্দিৰৰ পৰা মংগল – আৰতি আৰু শিৱস্তোত্ৰ ভাঁহি আহিছে। মীৰাই দৌৰি আহি আইতাকক আব্দাৰ লগায়।)

মীৰা – আইতা মা! অ’ আইতা মা!! .. ক’তনো কি কৰি আছা তুমি ...?

ব্ৰজ – এয়া তেতেলীৰ গুটি গুচাই আছো। অ’ মীৰা ... হঁ খাবি নে কি এচিৰা?

মীৰা – দিয়া ... বাঃ ! কি মজাৰ!! ..অ’ আইতা মা! তেতেলীৰ বৰ গুন নহয়? ... প্ৰথম শ্ৰানীত বাইদেৱে আমাক তেতেলীৰ গুটিৰে যোগ – বিয়োগ আৰু নেওতা শিকাইছিল ... নহয়। সেই খেলবোৰো বৰ মসাৰ আছিল ...।

ব্ৰজ – কৈছহে নে? তেতেলীৰ বৰ গুণ অ’। ... নিয়মিয়াকৈ খাব পাৰিলে, ই ছাল একেবাৰে চকচকিয়া কৰি ৰাখে ... একেবাৰে বুঢ়া বয়সলৈকে ...

মীৰা – হাঃ হাঃ হাঃ ...! ঠিক তোমাৰ দৰেই ... (বাঃ তোমাৰ ছালখন ইম্মা-ন মিহি! গালে- কপালে ক'তো ৰেখা এডালো নাই ... চাওঁ, চাওঁ! আইতামাৰ এই মিহি মিহি গালত ... মই চুম্মা এটাকেই খাওঁ ... ওঁ! পৰিক্ষা যে ভালে -ভালে শেষ হ'ল ... তাৰ বাবে আমাৰ আইটা-মাৰ গালত ... চুম্মা ...)

দুয়ো – হাঃ হাঃ হাঃ...!!

ব্ৰজ – ওঁ!! এতিয়া ক' ... কিয়নো ইম্মান হাবাথুৰি খাই মোক বিচাৰিছিলি?

মীৰা – কিয়? পাহৰিলা নেকি? ... পৰীক্ষা শেষ হ'লে ... তুমি মোক ধুনীয়া ধুনীয়া ...

ব্ৰজ – হাঃ হাঃ হাঃ ... ! অ' সেই সাধুৰ কথা, সাধুৰ খাটনি!! .. হ'ব, হ'ব ... নিশ্চয় ক'ম!! ... বিজিছ, তোক মই এইবাৰ ... আমাৰ এই গাৱঁৰেই সাধু শুনাম বুজিছ?

মীৰা – (হতাশ হৈ) এস্ ! এই গাঁ – ৱ -ৰ সাধু! ... গাৱঁৰ সাধুত ক'ত আৰু ৰজা – ৰানী – পৰী – যাদুকৰ থাকিব ... থাকিলে তোমালোকহে থাকিবা আৰু আমিহে থাকিম। .. এস্ নালাগে যোৱা ...।

ব্ৰজ – নহয় অ' আকঁৰী! ৰজা -ৰানীৰ সাধুতো বহুতেই ক'লো, বহুতেই শুনিলি! ... এতিয়া তহঁত লাহে লাহে ডাঙৰ স্কুলেই পাবিগৈ ...। আমাৰ এই গাৱঁৰ সাধু শুনিলে ... তয়েই আকৌ তোৰ লগৰ বোৰক শুনাব পাৰিবি... সাধু কোৱা প্ৰতিযোগিতাত ভাগলৈ কিজানি পুৰস্কাৰো পাবি ...

মীৰা – হয় নেকি? ... দি .. দি.. দিয়া তেন্তে ... সোনকালে কৰা ...

ব্ৰজ – সো – সো – সোনকালে মানে ... দেছোন দে! তয়ো হাত লগা ... দুই – চাৰি চিৰাকৈ তয়ো এৰা! ... আমাৰ কামো আগ বাঢ়িব ... সাধুও চলি থাকিব ...

মীৰা – দিয়া তেন্তে ... এক – দুই – তিনি ... সাধু আৰম্ভ ...

( আনন্দময় সংগীত। এখন নিভাঁজ গাৱঁৰ পৰিৱেশসূচক সংগীত থলুৱা)

ব্ৰজ - ... তইতো জানই মীৰা! ... এইখন গাৱঁতেই আমি কেইবা পুৰুষো ধৰি বাস কৰি আহিছো। অকল আমি বুলিয়েই নহয় ... এই গাৱঁৰ আটাইখিনি মানুহৰেই পূৰ্বপুৰুষ ইয়াৰেই ...।

মীৰা – আইতামাই আমাৰ এই শিৱশক্তি গাঁও খনৰ কথাইতো কৈছা।

ব্ৰজ – হয়।

মীৰা- সচাঁই আইতা-মা! আমাৰ এই গাঁওখন সঁচাই বৰ ধুনীয়া। স্কুলত আমাৰ বাইদেৱে আমাক কৈছে নহয়, - শিৱশক্তি গাওঁখন দুখন পাহাৰৰ ত থকা এক বিৰাট এলেকাৰ এটা অংশ। দুখন পাহাৰৰ মাজত থকা সমভূমি বাবে ইয়াক উপত্যকাও বোলে ...

ব্ৰজ – হয় অ'! উত্তৰে সেয়া সৌখন শিৱশক্তি পৰ্বত আৰু দক্ষিনলৈ সিদ্ধি -ঋদ্ধি পৰ্বত। ... তই মন কৰিছনে মীৰা! আমাৰ ইয়াত একমাত্ৰ পকীঘৰ একেটাই ..

মীৰা – হয় আইতা মা! সেই শিৱ-শক্তি মন্দিৰ টো

ব্ৰজ – সেইটোও প্ৰায় তিনি-চাৰি শ বছৰ আগতে সজা!

মীৰা – এইটোও বৰ আচৰিত কথা নহয়নে?

ব্ৰজ- তহঁতৰ বাবে আচৰিত হঁলেও , শ শ বছৰ ধৰি এই এলেকাৰ ঘৰবোৰ এনেকৈয়ে সজা হৈ আহিছে.. ওখকৈ মাটিৰ ভেটি, ইকৰা বা বাহঁৰ বেৰত মাটি লেপা আৰু খেৰ বা তালপাতৰ ছাল...

মীৰা – আজি – কালিতো বহুতো গাৱঁত পকীঘৰ হৈছে, ডাঙৰ ডাঙৰ দালানো হৈছে ... আমাৰ ইয়াত ..?

ব্ৰজ – তাৰো কাৰণ আছে..! এনে ধৰণৰ পাহাৰী এলেকাত এই ধৰণৰ সৰু সৰু ঘৰবোৰেই ভাল, এইবোৰেই নিৰাপদ...

মীৰা – কেনেকৈ?

ব্ৰজ – ভূমিকম্পই হউক বা ডাঙৰ ধুমুহা বৰষুণেই হ’ক.. এনে ধৰণৰ ঘৰবোৰ ভাগি-ছিগি নাযায়.. সেই ইমানটিৰে পৰা .. মানে ৎপোৰ সমানৰ পৰাই এতিয়া লৈকে দেখি আহিছো নহয়.. প্ৰাকৃতিক দুৰ্য্যোগ হলেও .. আমাৰ এই ধৰণৰ ঘৰবোৰৰ একো হানি – বিঘিনি নহয়...

মীৰা – তাৰ মানে যুগ যুগ ধৰি আমি নিৰাপদ? .. মানে যেতিয়ালৈকে এই ব্যৱস্থা চলি থাকিব তেতিয়ালৈকে আমি নিশ্চিন্তে থাকিব পাৰো??

ব্ৰজ – নিশ্চয় পাৰো।

মীৰা – তাৰ মানে আইতা মা! আমাৰ এই ঘৰবোৰ আমাৰ এলেকাৰ পৰিৱেশৰ সৈতে খাপ খোৱা নেকি?

ব্ৰজ – নহ’লেনো আমি এনেদৰে যুগ যুগ ধৰি ইমান নিৰাপদে থাকিব পাৰোনে? .. মন কৰিছনে মীৰা! আমাৰ শিৱশক্তি মন্দিৰটো পকী যদিও এইটো খুউব বেশি ওখ নহয়, - গছ – গছনিয়ে ইয়াক আৱৰি আছে, দূৰৰপৰা মনাই টান ...

মীৰা – অ’! সেইকাৰনেই কিজানি ধুমুহা-বৰষুণ- ভুমিকম্পইও ইয়াৰ একো ক্ষতি কৰিব পৰা নাই। .. অ’ আইতা মা! তুমি দেখোন সাধু শুনাম বুলি ...?

ব্ৰজ – এইবোৰো তোৰ সেই সাধুটোৰেই অংশ।

মীৰা – কেনেকৈ?

ব্ৰজ – শুন!! .. ইয়াতেই ... এই শিৱশক্তি গাৱঁতেই ... মোৰ জন্ম হৈছিল। সেই সময়ত ইয়াত মটৰ গাড়ী, ৰেডিঅ’- টেলিভিচন একোৱেই নাছিল। পাহাৰৰ্পৰা নামি অহা হৰিণ, শৰ পহু, কেটেলা পহু, বান্দৰ – কেৰ্কেটুৱা আদিয়ে নিৰ্ভয়ে ইয়াত বিচৰণ কৰিছিল। সৰুতে তোৰ সমান বয়দত আমি হৰিনৰ পোৱালিৰে খেলাও মনত আছে...

মীৰা – হাৰ্ৰে.. বৰ মজা দেখোন!! হৰিনা – শহা, গৰু-ছাগলী মাকুৰী আদিৰে খেলিবলৈতো ভালেই লাগে…

ব্ৰজ – কৈছহে নে আৰু? .. নৈ-বিল-জান-জুৰি, পাহাৰ-পৰ্বত-টিলা, গছ-গছনি-লতা-পতা , চৰাই-চিৰিকতি, জীৱ-জন্তু আদিৰে সকলোৱে মিলিজুলি বাস কৰা আমাৰ এই গাওঁখন … মইতো জন্মৰে পৰাই এতিয়আ লৈকে একেদৰেই পাই আহিছো..। .. সৰুৰে পৰাই কাম কৰি, কষ্ট কৰি ডাঙৰ হৈছো, সেই অভ্যাস এতিয়া আছে.. আৰু বোধকৰো , সেই কাৰনেই … কষ্টৰ জীৱন হ'লেও সুখ – শান্তিৰে দিন নিয়াব পাৰিছো..।

মীৰা – ইয়ে হৈছে দিয়া আৰু!! তোমাৰদৰে সব্বেই সুখে শিন্তিৰে বাস কৰি থাকিলে, তোমাৰ আৰু কিহত সাধুডাল হ'ব?? মই যাওঁ, তোমাৰ তেতেলী গুটিও নুগুচাও আৰু সাধুও নুশুনো..
(যাব ওলায়)

ব্ৰজ – এই ৰ'ছোন ৰ'! বহছোন বহ.. শুন! .. এইখিনি নক'লে তই সাধুটোৰ আঁতেই ধৰিব নোৱাৰিবি বুলিহে…

মীৰা - .. দিয়া বাৰু, কোৱা।

ব্ৰজ – শুন! এদিন আবেলি মই ধান বানি আছো। এনেতে বিহুৰাম মানে আমাৰ বৰ বোপা হস্ত দন্ত হই উধাতু খাই মা – মা বুলি চিঞৰি আহিল

মীৰা – মানে আমাৰ বদেউটা!!

ব্ৰজ – অঁ! তেতিয়া তাৰো বিয়া হোৱা নাই,

মীৰা – অ' আইতা মা! মই তেতিয়া কিমান ডাঙৰ আছিলো?

ব্ৰজ – ধেৎ আকৰীজনী কৰবাৰ! .. বৰদেউতাৰৰেই বি্যা হোৱা নাই, সৰু বোপা মানে তোৰ দেউতাৰৰ বিয়াৰতো প্ৰশ্নই নাই.. হাঃ হাঃ হাঃ ত-ত-তই আৰু হ'বি ক'ৰ পৰা হাঃ হাঃ হাঃ

মীৰা – হাঃ হাঃ হাঃ !! মানে বহু বছৰ আগৰ কথা?

ব্ৰজ – এৰা অ’! কথাবোৰ ভাবিলে ... মন টো ... মোৰ (কৰুণ সংগীত) শুন!ঁ বৰ বোপাই যেনেকৈ উধাতু খাই চিঞৰি চিঞৰি আহিল ... মইতো ভয়েই খাই গ’লো...

(স্মৃতি ৰোমন্থণৰ সংগীত)

বিহুৰাম – মা! অ’ মা! ! শুনিছনে নাই। .. বৰ ডাঙৰ কথা হল নহয়..

ব্ৰজ – কি কথানো? তই ইমান অস্থিৰ হৈছ কিয়?

বিহুৰাম – শুনিলে তয়ো মোৰ দৰেই অস্থিৰ হৈ পৰিবি মা! যেয়ে শুনে সিয়েই অস্থিৰ হৈ পৰিব...। এইমাত্ৰ মই তাক গিয়াচৰ চাহৰ দোকানত লগ পাই আহিছো... সি চহৰৰপৰা আহিছে... তাৰ নাম লোহিত... লোহিত একেবাৰেই ভাল নহয়, তাৰ মতলবো ভাল নহয়...

মীৰা – গিয়াচ কোন আইতা মা? আৰু গি্যাচৰ চাহৰ দোকান মানে...

ব্ৰজ – গিয়াচ আমাৰ ডাঙৰ বোপাৰ লগৰে ল’ৰা। .. এতিয়া যে বকুলতলত চাহৰ দোকানখন দেখিছ .. সেইখন।

মীৰা – অ’! .. বৰদেউতাই তোমাক কি ক’লেনো ...।

ব্ৰজ –তাকেইতো ক’ব ওলাইছো শুন। সি গিয়াচৰ দোকানত হোৱা কথা – বতৰাখিনিকেই মোক হুবহু বৰ্ণনা কৰি ক’লে..

(স্মৃতি ৰোমন্থনৰ সংগীত। চাহ দোকানৰ টুং টাং আৰু গ্ৰাহকৰ ইটো সিটো কথা-বতৰা ভাঁহি আহে।)

গিয়াচ – দাদা! আহক!! কি দিম আপোনাক? চাহ-সিংৰা নে লুচি-তৰকাৰী!

লোহিত – চাহ – সিংৰা হ’লেই হ’ব।

গিয়াচ – দাদাক নতুনকৈ অহা যেন লাগিছে, আগতে দেখা মনত নপৰে দেখোন...।

লোহিত – আপুনি ঠিকেই ধৰিছে গিয়াচকা! .. মৈ লোহিত। এই প্ৰথম এই গাৱঁলৈ আহিছো। .. আপোনাৰ দোকানৰ চাহ-সিংৰাৰ বৰ নাম শুনিছো।

গিয়াচ – সব  আপোনালোকৰেই দুআ লোহিত দাদা ... সব আপোনালোকৰেই দুআ!!

(চিঞৰি চিঞৰি বিহুৰাম আহে।)

বিহু – গিয়াচ ভাই! মোৰ বাবে খালী ‘স্পিচাল’ চাহ একাপ...! হাৰে! আপোনাক আমাৰ গাৱঁৰ আলহী যেন লাগিছে। নমস্কাৰ। নমস্কাৰ! মই বিহুৰাম, ইয়াৰে  পাঠশালাৰ হেডপণ্ডিত। গিয়াচ মোৰ বন্ধু।

লোহিত – নমস্কাৰ! মই লোহিত। .. এটা বিশেষ কামত মিচিন লৈ ইয়ালৈ আহিছো।

বিহু – বৰ ভাল কথা! বৰ ভাল কথা!

গিয়াচ – এয়া লউক, দাদাৰ চাহ-সিংৰা আৰু বিহুৰামৰ ‘স্পিচাল’ চাহ ... আপোনালোকে তাতে বেঞ্চখনত বহি কথাও পাতক, চাহো খাওক... মই কামত লাগো।

বিহু আৰু লোহিত – নিশ্চয়! নিশ্চয়!!

বিহু – আপুনি উঠিছে ক’ত?

লোহিত – ওচৰৰে স্বস্তিপুৰ গাৱঁৰ ঘৰ এটা ভাড়া লৈ আছো।মাত্ৰ ছমাহৰহে কাম...

বিহুৰাম – মাত্ৰ ছমাহৰ কাম? ... তাকো এই পাহাৰীয়া দুৰ্গম গাওঁখনত??

লোহিত – পাহাৰীয়া এই দুৰ্গম গাওঁখনতেই আমাৰ বাবে কুবেৰৰ খাজানা লুকাই আছে...

বিহুৰাম – মানে ...??

লোহিত – কথাষাৰ খুলিয়েই কওঁ, কাৰণ কামটোত আপোনালোকৰো সহায় লাগিব নহয় ...??

বিহু আৰু গিয়াচ – আমাৰ সহায়..??

লোহিত – হয়! আপোনালোকৰ আটাইৰে ... গোটেই গাওঁবাসীৰেই ...

বিহু আৰু গিয়াচ- খুলি কওকছোন, খুলি কওক..।

লোহিত – এই গাওঁখন অতি ধুনীয়া। ইয়াৰ পৰিৱেশ পৰ্য্যটকৰ বাবেও আকৰ্ষণীয়। পিছে, ইয়াত পৰ্য্যটকক সুবিধা দি ৰাখিব পৰাকৈ ডাঙৰ আৰু ভাল হোটেল – পাতি নাই।

বিহু – তাৰ মানে ... আপোনালোকে ইয়াত ... ডাঙৰ হোটেল খুলিবলৈ আহিছে ...

গিয়াচ – কিন্তু এই পাহাৰীয়া গাৱঁত দেখোন ... এতিয়াও ভাল ৰাস্তা ঘাটেই নাই...

বিহু – তাতে আকৌ ডাঙৰ হোটেল খুলিবলৈ মাটি – বাৰীওতো নাই ...।

লোহিত – নাই, মাটি – বাৰীৰ সমস্যা নাই। সেইটো ইতমধ্যে নিষ্পত্তি হৈ গৈছে

বিহু  আৰু গিয়াচ- ... নিষ্পত্তি হৈ গৈছে? কেনেকৈ??

লোহিত  - ... আমি গঞাৰ মাটিত হোটেল নাসাজো নহয়, - সাজিম সেই শিৱশক্তি পাহাৰখনতহে ...

(কৌতূহলৰ সংগীত)

বিহুৰাম – (সন্দেহৰ সুৰত) গিয়া-চ!!

গিয়াচ – (সন্দেহৰ সুৰত) বিহুৰা-ম!!

লোহিত – চাওক, পাহাৰৰ ওপৰভাগত তিনি শ কোঠা থকা এটা বিৰাট হোটেল, - লগত বজাৰ কৰাৰ সুবিধাৰ বাবে চ’পিং মল, সাঁতোৰাৰ বাবে চুইমিং পুল, জগিং আৰু দৌৰৰ সা-সুবিধাৰে স্বাস্থ্য ক্লাব, আমোদ-প্ৰমোদৰ বাবে হল আৰু মাল্টিপ্লেক্স ...। মানে এক অতি আধুনিক পাচঁতাৰকা হোটে-ল!বঢ়িয়া হ’ব নহয়নে? (খন্তেকৰ নীৰৱতা) কি হ’ল? আপোনালোকে দেখোন একোই নক’লে! .. কি চিন্তা কৰি আছেনো? .. চাওক! আপোনালোকে যদি কিবা সমস্যা হ’ব বুলি ভাবিছে, তাৰ বাবে মই আছো ... মানে ... গাওঁবাসীয়ে যদি আপত্তি কৰে... সেইবোৰ ‘শান্তিপূৰ্ণ ভাৱে’ সমাধান কৰিবৰ বাবেই কোম্পানীয়ে মোক লোকেল মেনেজাৰ নিয়োগ কৰিছে ... হেঃ হেঃ হেঃ... এ-এ- এয়া লউক ... লাজ, নকৰিব, লওক ...

বিহু আৰু গিয়াচ- আপুনিয়েই হোপক ... আমাৰ সেইবোৰ নচলে ...।

বিহু – চাওক, এই শিৱশক্তি পাহাৰখনক আমি আটায়ে...

বিহু আৰু গিয়াচ- ... অতি পৱিত্ৰ জ্ঞান কৰো।

গিয়াচ – এইখনেই আমাৰ জীৱন আৰু ...

বিহু আৰু গিয়াচ - ... জীৱিকাও।

লোহিত – সেইটোতো খুবেই ভাল কথা। .. হোটেল হোৱাৰ পিছত .. ইয়াক আধাৰ কৰিয়েই... আৰু ভালেমান বিকাশৰ কাম হ’ব। .. এই ধৰক... এতিয়া পাহাৰৰ ওপৰলৈ যোৱা ৰাষ্টাতো লুৰ-লুৰীয়া কেঁচা...। সেইটো বহল হ’ব, পকী হ’ব... টিলিকতে তলৰপৰা ওপৰত হোটেললৈ মানুহে আহ-যাহ কৰিবপৰা হ’ব...।

বিহু – কিন্তু তাৰ বাবে নামনিত থকা ... ভালেমান ঘৰ ভঙা যাব দেখোন! মানুহবোৰ ...??

লোহিত – চাওক, সেইটো একো ডাঙৰ কথা নহয়... আমাৰ কোম্পানীয়ে তেনে ঘৰৰ মালিকক অইন ঠাইত মাটি দি ঘৰ – দুৱাৰো সাজি দিব, - একদ-ম বিমামূলীয়াকৈ...

বিহু- গিয়া-চ !! (সন্দেহৰ সুৰত)

গিয়াচ – বি-হুৰা-ম!! (সন্দেহৰ সুৰত)

লোহিত – কি হ'ল? আপোনালোকে সন্দেহ কৰিছে নে কি? .. চাওক, আমাৰ কোম্পানীটোৰ নাম হৈছে মেহতা এণ্ড মালিয়া নিৰ্মাণ কোম্পানী...। .. অকল ... আমাৰ দেশৰ ভিতৰতেই নহয়, বিদেশতো এই কোম্পানীৰ নাম আছে ... আপোনালোকে চকু মুদি এই কোম্পানীক বিশ্বাস কৰিব পাৰে..! আচলতে কি জানে? ... পইচা কিমান হ'ল গিয়াচ কা?

বিহুৰাম – নাই, নাই! আপুনি পইচা দিব নালেগে ... হাঃ হাঃ হাঃ ... আপুনি আজি আমাৰ আলহী পইচা ময়েই দিম ...

লোহিত – এই গাওঁখনৰ মানুহবোৰ সচ্চাঁই ভাল, সচ্চাঁই উদাৰ! ... সেইকাৰনেই কৈছো, দৰ্কাৰ হ'লে, সভা এখনকে পাতি ... দুই এদিনতে আপোনালোকে মানুহখিনিক বুজাওক ...! বুজাওক যে হোটেল সাজিবলৈ লোৱাৰেপৰা গাওঁখনৰ মানুহখিনিৰ লাভেই লাভ!! কৰ্মঠ – নাৰী – পুৰুষে লেবাৰ হিচাপে কাম কৰাৰেপৰা, নিৰ্মাণ হৈ উঠাৰ পিছত ... শিক্ষিতবোৰেও ইয়াত চাকৰি পাব। ... হাঃ হাঃ হাঃ... আচলতে কি জানে? – তেনেই কম দিনৰ ভিতৰতেই ... এই গাওঁখনৰ চেহেৰাই বদলি যাব... মানুহ বোৰৰ আৰ্জন বাঢ়িব, লাহ-বিলাসী জীৱন-যাপন কৰিব পাৰিব... হাঃ হাঃ হাঃ .... আৰু যে কত কি?? ... বুজিছে, ইতিমধ্যে চৰকাৰৰ অনুমতি হৈ গৈছে ... কোম্পানীয়ে দিন – বাৰ চাই যাত বিহুৰ ভিতৰতেই ... কাম আৰম্ভ কৰাৰ কথাও কৈ থৈছে...। তা-তা-তাৰ বাবে ... আপোনালোক দুজনেই আগ-ভাগ লৈ মোক জনাব – হাঃ হাঃ হাঃ ...আপোনালোকৰ কিবা 'দৰ্কাৰ' থাকিলে ... বা তাৰ বাবে কিবা 'সহায়' লাগিলে ... চিন্তা নকৰিব.... হাঃ হাঃ হাঃ .... মই আছো... মো-মো-মোৰ কোম্পানী আছে – হাঃ হাঃ হাঃ। আহো দেই! চাৰিদিন্পিছত ইয়াতেই আকৌ দেখা হ'ব... নমস্কাৰ...! নমস্কাৰ!!

গিয়াচ – আও! .. দেখিলিনেন দেখিলিনে বেট্টাৰ 'কোব'!ঁ! .. আমাক 'পাঠ পঢ়ায়'!!

বিহু – সুবিধাবাদীবোৰেতো এনেকৈয়ে সকলোকে পাঠ পঢ়াই নিজৰ কাৰ্য্যসিদ্ধি কৰে! .. সি বেট্টাই তাৰ কাম কৰি থাকক... আমি আমাৰটো নেৰিলেই হ'ল। নে কি কঅ'?

গিয়াচ- অ'তো।

বিহু – সেইকাৰণে মই ভাবিছো, কাইলৈ আবেলি লৈকে আমাৰ সভাখন পাতি পেলাঁও... তই তোৰ তালৈ অহাবোৰক খবৰ দে... ময়ো কাইলৈ স্কুলৰ ছাত্ৰ বোৰৰ জৰিয়তে ... মানুহখিনিক খবৰ দিওঁ ...

গিয়াচ – দে হ'ব দে ...

(সংগীতেৰে সময়ইৰতি। গ্ৰাম্যসভাৰ পৰিস্থিতি সূচক  সংগীত। সভা ইতিমধ্যে ভালেখিনি আগ বাঢ়িছে।)

যজ্ঞ – ৰাইজ!! এতিয়া আমি সভাৰ প্ৰায় শেষ পৰ্য্যাই পাইছোহি।  ইতিমধ্যে আমাৰ শিৱ-শক্তি পাহাৰত হ'বলগীয়া কোম্পানীৰ হোটেলসম্পৰ্কে বহুতো কথাই হ'ল। ... বেছিভাগেই ভাৱে... হোটেল হ'লে ... আমাৰ এই গাওঁখনৰ লগতে সকলোৰে বিস্ৰৰ ক্ষতি হ'ব। ... দুই –একে অৱশ্যে ভাৱে .. ইয়াত হোটেল হ'লে... গঞা ৰাইজৰ ইপাৰ্জন বাঢ়ৰিব, চাকৰি পাব ... আৰু তেওঁলোক এতিয়াতকৈ বেছি সুখত থাকিব পাৰিব। ... সঠিক সিদ্ধান্ত লোৱাৰ আগতে মই আমাৰ বঘুৰাম মাষ্টৰৰ কিবা ক'বলগীয়া আছে যদি ...

বিহু - ... নিশ্চয় সভাপতি মহোদয়! নিশ্চয় যজ্ঞ খুৰা!! .. আপুনি নিজে এক আশী বছৰীয়া অভিজ্ঞ ব্যক্তি। ইতিমধ্যে আপুনিও আপোনাৰ অভিজ্ঞতাৰ পৰা পাহাৰত হোটেলৰ বিৰোধিতা কৰিছে। .. তথাপিও আমাৰ মাজৰে যি দুই –চাৰিজনে .. কেৱল হোটেলৰ পৰা হ'ব পৰা সুফলবোৰকেই দেখিছে ... মই তেওঁলোকক উদ্দেশ্যিহে দুটামান কথা ক'ব খুজিছো ...

ৰাইজ – কওক! কওক চাৰ!!

বিহুৰাম – চাউক ৰাইজ!!আমাৰ গাওঁখনৰ সকলোৰে বাবেই এই শিৱ – শক্তি পাহাৰখনেই জীৱনো, জীৱিকাও। ... অকল আমি বুলিয়েই নহয়, ... আমাৰ দৰে আৰু বহুতো লোকেই ... জিৱণ আৰু

জীৱিকাৰ বাবে এনে ধৰণৰ পাহাৰ আৰু পাহাৰৰ সম্পদৰ ওপৰতেই নিৰ্ভৰ কৰে। কিমান মানুহে কৰে বাৰু? পৃথিৱীত প্ৰতি দহজনৰ ভিতৰত এজনেই এনেদৰে মানে ... আমাৰদৰে পাহাৰৰ ওপৰত নিৰ্ভৰ কৰে...

ৰাইজ – হাৰে! তাৰ মানেতো কোটি কোটি মানুহ।

বিহুৰাম – হয় কোটি কোটি মানুহ!! .. একো একোখন ্হাৰে একো একোটা বৃহৎ অঞ্চলত ... পৰিৱেশ তন্ত্ৰ বচাই – বৰ্তাই সজীৱ কৰি ৰাখে। পাহাৰ – পৰ্বতে একো একোটা অঞ্চলৰ জলবায়ুৰ ওপৰতো প্ৰভাৱ পেলায়...। পাহাৰ এলেকাৰ উষ্ণতা ভৈয়ামৰ তুলনাত ভালেখিনি কম বাবে, বৰষুণৰ পৰিমানো বেছি... আৰু, এই বৰষুণেই আমাৰ জীৱণ...। ... জীৱণৰ বাবে প্ৰয়োজনীয় এই উপাদানবোৰ ধ্বংস কৰি ... আমি বিকাশ বিচৰাটো ... উচিত হ'ব জানো?

ৰাইজ - ... কেতিয়াও নহয়! কেতিয়াও নহয়!!

(হাতচাপৰিৰে বিপুল সমৰ্থন)

যজ্ঞ- বাৰু মাষ্টৰ! তেনেহ'লে আমাৰদৰে পাহাৰ এলেকাত বাস কৰা সকল কি সদায় বিকাশৰ পৰা বঞ্চিতই হৈ থাকিব নেকি?

বিহুৰাম – নাই যজ্ঞ খুৰা! মই সেইতোও ক'ব খোজা নাই, - বিকাশ আমাক লাগিবই, বিকাশক বাদ দি জীৱনৰো কোনো অৰ্থ নাই...

যজ্ঞ - ... কিন্তু দুয়োটা দেখোন একেবাৰে বিপৰীত কথা যেনহে...

বিহুৰাম – আপুনি ঠিকেই ধৰিছে সভাপতি মহোদয়!! ... আমাক পৰিৱৰ্তনো লাগিব, বিকাশো লাগিব... কিন্তু মই যি বিকাশৰ কথা কৈছো, সি বিনাশ কৰিব নোৱাৰিব, -

যজ্ঞ – মানে বিনাবিহীন বিকাশ?

বিহুৰাম - ... হয়, বিনাশবিহীন বিকাশ!!

ৰাইজ – বিনাশবিহীন বিনাশ?? .. কিন্তু সেইতো কেনেকৈ সম্ভৱ??

বিহুৰাম – পাহাৰ এলেকাবোৰৰ বিকাশ মানে ... এই এলেকাবোৰৰ পাহাৰীয়া পৰিৱেশ তন্ত্ৰ ধ্বংস নকৰাকৈ বিকাশ ...

ৰাইজ - ... মানে ইয়াৰ পৰিৱেশতন্ত্ৰৰ সৈতে মিলিব পৰা বিকাশ ...।

যজ্ঞ – হয়! ময়ো ভাবো সেইটোহে আচল কথা, আচল মংগলময় বিকাশ, - বৰ্তি থাকিব পৰা, টিকি থাকিব পৰা বিকাশ ...

গিয়াচ - ... আমাৰ এই পাহাৰৰ ওপৰত পাচঁমহলীয়া পাচঁতাৰকাৰ হোটেল হোৱা মানে ... হোটেললৈ যাবৰ বাবে পকী, আহল – বহল পথ সাজোতেই পাহাৰখনৰ ব-হু-ত ক্ষতি হ'ব...

যজ্ঞ - ... আৰু সেই ক্ষয়-ক্ষতিয়ে পাহাৰখনৰ পৰিৱৰ্শ তন্ত্ৰ ধ্বংস কৰাৰ নিচিনাই হ'ব।

বঘুৰাম – এই পাচঁতাৰকা হোটেলৰ লগে লগে, ইটো সিটো ব্যৱসায়ৰ নামত ... আমাৰ এলেকাত আৰু বহুতো উদ্যোগ – অট্টালিকা – প্ৰতিষ্ঠান আদিও গঢ় লৈ উঠিব। কিন্তু আমাৰ পাহাৰ এলেকাৰ পৰিৱেশতন্ত্ৰই সেইবোৰ বহন কৰিব নোৱাৰিব ...

ৰাইজ - ... ফলত গোটেই পাহাৰীয়া পৰিৱেশ তন্ত্ৰটোই ধ্বংস হৈ যাব ...

বিহুৰাম - ... বা মানুহ আৰু জীৱকুলৰ বসবাসৰ অযোজ্ঞ হৈ পৰিব...।

ৰাইজ – তেনে অৱস্থাত আমি কি কৰিম? ক'লৈ যাম??

বিহুৰাম –ইয়াতেই তথাকথিত বিকাশৰ বলি হৈ ... সতি সন্ততি পৰিয়ালৰ সৈতে তিল তিল কৈ মৃত্যু মু-খ-ত পৰিম???

(খন্তেকৰ নীৰৱতা। কৰুণ সংগীত। দূৰৈৰ মন্দিৰত ডবা-কাঁহ – শংখধ্বনি।)

ৰাইজ – তাৰ মানে ... তাৰ মানে ... শিশক্তি পাহাৰৰ ওপৰত ... পাচঁতাৰকা হোটেল ... কেতিয়াও হ'ব দিব নোৱাৰি! হ'ব দিব নোৱাৰি!! হ'ব দিব নোৱাৰি...!!!

যজ্ঞ- তাৰ মানে ... আজিৰ সভাত ... সকলোৰে এই একেটাই মত...??

ৰাইজ – হ-য়!! (হাততালিৰে সমৰ্থন) শিৰশক্তি পৰ্বত ! জিন্দাবাদ!!

বিহুৰাম - .. সভাপতি মহোদয়! আৰু ৰাইজ!! .. এই খিনিয়েই ... আপোনালোকলৈ মোৰ এটা বিশেষ অনুৰোধ আছে...

ৰাইজ – মাষ্টৰ বাবু! জিন্দাবাদ!! জিন্দাবাদ!!

বিহুৰাম – ৰাইজ!! .. আমি আমাৰ এই এলেকাটোৰ শিৰশক্তি পৰ্বতত পাচঁতাৰকা হোটেল সজাৰ পক্ষপাতী নহয়।

ৰাইজ – নহয়! নহয়!!

বিহুৰাম - ... কিন্তু আমাৰ এই এলেকাটো পৰ্য্যটন কেন্দ্ৰ হিচাপে গঢ় দিয়াৰো বিৰোধী নহয় ...। .. কাইলৈ বা পৰহিলৈ আমি যেতিয়া হোটেলৰ বিৰোধত ... প্ৰশাসনক আৰ্জি দিম বা আন্দোলন ধৰ্না আদিত নামিব লগা হ'ব... তেতিয়া কিন্তু আমি সদায় এটা কথাতেই জোৰ দিব লাগিব...

ৰাইজ – কি কথা?

বিহুৰাম - ... আমি আমাৰ পৰিৱেশতন্ত্ৰ নষ্ট কৰিব পৰা হোটেল সজাৰহে বিৰোধী ... ইদ্যোগ হিচাপে পৰ্য্যটনৰ বিৰোধী নহয়!! .. আমাৰ এই সুন্দৰ শ্স্ৰী এলেকাটোক ... ইয়াৰ পৰিৱেশতন্ত্ৰৰ সৈতে খাপ খোৱাকৈ ... পৰ্য্যটনকেন্দ্ৰ হিচাপে গঢ়ি তোলক ... তাত আমি প্ৰত্যেকেই সহযোগ কৰিম ...

ৰাইজ – নিশ্চয় কৰিম! নিশ্চয় কৰিম!!

গিয়াচ - ... কিন্তু বিকাশৰ টোপ দি আমাৰ পৰিৱেশ তন্ত্ৰ ধ্বংস কৰিব পৰা যি কোনো উদ্যোগৰেই আমি ...

ৰাইজ - ... বিৰোধ কৰিম! বিৰোধ কৰিম!!

যজ্ঞ – (হাততালি দি দি) সচাঁ কথা! একেবাৰেই সচাঁ কথা!! কাৰণ, ... আমি ... আমি এই গাওঁ বাসীৰ প্ৰত্যেকেই আৰু আমাৰ আহিব লগা প্ৰতিটো প্ৰজন্মৰ উত্তৰপুৰুষ সকলো ... এই পাহাৰীয়া পৰিৱেশ তন্ত্ৰৰেই এৰাব নোৱাৰা অংগ ... পাহাৰ আৰু পাহাৰীয়া পৰিৱেশতন্ত্ৰ বচাই – বৰ্তাই ৰাখিহে আমি সকলোৱে ...

বিহু আৰু গিয়াচ - ... বিকাশৰ পথত, নিৰ্বিঘ্নে, নিৰাপদে...

ৰাইজ - ... আগ বাঢ়িব লাগিব! আগ বাঢ়িব লাগিব! আগ বাঢ়িব লাগিব!!

(হাততালিৰে সভা ৰজনজনাই যায়। সংগীতেৰে স্মৃতি ৰোমন্থন শেষ হোৱাৰ ইংগিত। আকৌ সাধু – কোৱা – সাধু – শুনাৰ পৰ্ব...)

বব্ৰজ -কি হ'ল অ' মীৰা! তই দেখোন এবাৰো ওঁ – আঁ, হাঁ- না নকৰাকৈ ... কি হ'ল? টোপনিয়েই গ'লি নেকি?

মীৰা – নাই, আইতা মা! ... অকন্নো টোপনি যোৱা নাই! .. সাধু নহ'লেও সাধু যেন লগা কথাবোৰ তুমি ইমান সুন্দৰকৈ কৈ গৈছা ... যে...

ব্ৰজ - ... মাজতে মাত মাতিবৰ ইচ্ছাই যোৱা নাই হাঃ হাঃ হাঃ
দুয়ো - ... হাঃ হাঃ হাঃ

ব্ৰজ – হয় অ' গোঁসানীজনী!! আচল ঘটনাও কেতিয়াবা ৰজা – ৰানী পৰী মৎস্যকণ্যাৰ সাধুতকৈও বেছি – মজাদাৰ হয় ...

মীৰা – বাৰু, আইতা মা! গাৱঁৰ মানুহখিনিয়ে যে হোটেল সজা বন্ধ কৰাৰ কথা ক'লে, তাৰ পিছত কি হ'ল?

ব্ৰজ – কি ডাল হ'ব আৰু? ... হাঃ হাঃ হাঃ ... বাৰু আঁকৰীজনী! তয়েই কি হ'ল ... মানে কি হ'ব পাৰে...?

মীৰা – ওঁ – ওঁ – ওঁ ... কি হ'ল মানে? ... আমাৰ স্কুলঘৰটো আগতকৈ ডাঙৰ হ'ল, ধুনীয়া হ'ল। চৌহদটোও ডাঙৰ হ'ল ... পাঠশালাৰ লগতে হাইস্কুলো হ'ল।

ব্ৰজ – আৰু?

মীৰা – লাগ বোলোতেই চহৰলৈ যাব পৰাকৈ পকী পথ হ'ল, যান-বাহনো সহজে পোৱা হ'বলৈ ধৰিলে ...

ব্ৰজ – শিৱ মন্দিৰ আৰু শিৱশক্তি পাহাৰখনৰ... কি হ'ল?

মীৰা - ... মন্দিৰটো আগতকৈ বেছি আটোমটোকাৰী কৰি তোলা হ'ল, চৌহদটো ডাঙৰ আৰু ধুনীয়া কৰা হ'ল... দূৰ – দূৰনিৰপৰা অহা তীৰ্থযাত্ৰী বাঢ়িবলৈ ধৰিলে ... চৌহদত যাত্ৰীনিৱাস হ'ল ...

ব্ৰজ – তীৰ্থ যাত্ৰী সকলক সেৱা আগ বঢ়াই ... বহুতো নিবনুৱাৰ সংস্থাপন হ'ল...

মীৰা – অ' ... পাহাৰৰ ওপৰলৈ গাড়ী যাবৰ বাবে সৰু পকী ৰাষ্টা হ'ল ... ঠায়ে ঠায়ে পৰ্য্যটক নিৱাস হ'ল ... বছৰটোৰ প্ৰায় আঠমাহেই এই নিৱাসবোৰ পৰ্য্যটকৰে ভৰি থকা হ'ল...

ব্ৰজ – মীৰা!  তই এই বঙলাবোৰৰ এটা কথা মন কৰিছনে?
মীৰা – কি?

ব্ৰজ – এইবোৰৰ আমাৰ এই এলেকাত অতীজৰে পৰাই চলি অহা ... আমাৰ ঘৰবোৰৰ দৰেই, ইয়াতে পোৱা সা-সামগ্ৰীৰে সজা আৰু সৰু সৰু...। কেৱল ভিতৰত দেশ – বেদেশৰ পৰ্য্যটকে বিচৰা আধুনিক সা-সুবিধাখিনি...

মীৰা - ... মানে হোটেল নহৈও হোটেল হাঃ হাঃ হাঃ

ব্ৰজ – হাঃ হাঃ হাঃ!  ঠিকেই কৈছ!! ... আচলতে এই ধৰণৰ সৰু সৰু ঘৰবোৰেই আমাৰ এই পাহাৰী এলেকাৰ পৰিৱেশত বৰ্তি থাকিব পাৰে বা টিকি  থাকিব পাৰে!! .. দুই – তিনি মহলীয়া পকী ঘৰবোৰ নোৱাৰে, - সেইবোৰ নিৰাপদ নহয়।

মীৰা - ... তাৰ মানে আইটা মা! বিকাশৰ সৈতে নিৰাপত্তাৰ কথাটোও...

দুয়ো - ... সম্মানেই জৰুৰী।

ব্ৰজ - ... তই আৰু এটা কথা মন কৰিছ নে?

মীৰা - ... কি কথা?

ব্ৰজ – শিৱশক্তি পাহাৰৰ ওপৰলৈ পকীপথ হ’ল, - অ’ত ত’ত পৰ্য্যটকৰ বঙলাও হ’ল, পিছে আজি অত বছৰে ... ক’তো এবাৰলৈ মাটি খহি পথ বন্ধ নহ’ল, বা মাটি খহি ঘৰ –দুৱাৰ নষ্ট নহ’ল...।

মীৰা – হয় নেকি? .. অইন বহু পাহাৰি এলেকাত দেখোন ...বাৰিষা হ’লেই ...

ব্ৰজ – হয়, ঘনে ঘনে মাটি খহি ৰাষ্টা বন্ধ, ধন-জনৰ হানি! কিয় এনেকুৱা হয় ক’ব পাৰিবিনে?

মীৰা – ওঁ – হো, নোৱা-ৰো!!

ব্ৰজ – মই কওঁ শুন!! .. সেই যে বাহিৰৰ কোম্পানীয়ে পাহাৰৰ ওপৰত পাচঁমহলীয়া হোটেল সাজিবলৈ আহিছিল ...

মীৰা – সেয়াতো আমাৰ বৰদেউতা হতে বন্ধ কৰি দিলে...

ব্ৰজ – নকৰা হ’লে, আমাৰ ইয়াতো ঘনে ঘনে এনে বিপৰ্য্যয়বোৰ ঘটি থাকিলহেতেঁন! আমাৰো দুখ – দুৰ্দশাৰ ওৰেই নপৰা হ’লহেতেঁন...

মীৰা- কিয় আইতা মা?

ব্ৰজ – কিয় মানে? (কামলৈ যাবলৈ বিহুৰাম ওলাই আহে)

বিহু - ... মই কওঁ শুন!

মীৰা – অ’ বৰদেউতা!

বিহু – বেছিভাগ বাহিৰৰ মানুহেই ... কেৱল ধন ঘটিবলৈয়ে আমাৰ এনেবোৰ এলেকালৈ আহে, তেওঁলোকা পাহাবাসীক ‘মোনে মোনে সপোন’ বেচিবলৈ আহে। .. আচলতে, পাহাৰৰ প্ৰকৃতি, পৰিৱেশতন্ত্ৰ আৰু সংস্কৃতি সম্পৰ্কে এওঁলোকৰ কোনো জ্ঞানেই নাই, পাহাৰ আৰু প্ৰকৃতি তেওঁলোকৰ বাবে একপক্ষীয় সম্পদ আহৰণৰ বাটহে! .. নামত বিকাশ কিন্তু আচলতে বিনাশময় বিকাশ ...

ব্ৰজ – আচলতে পাহাৰৰ প্ৰকৃতি – পৰিৱেশ আৰু বিকাশৰ ধৰণ-কৰণ পাহাৰবাসী সকলেহে ভালদৰে জানে, ভালদৰে বুজে...

বিহু – সেইঁকাৰণে... আমাৰদৰে এলেকাবোৰত ... বিকাশৰ ভুগোল – বুৰঞ্জী – বিজ্ঞান – প্ৰযুক্তি ... সব আমিয়েই ঠাৱৰ কৰিব লাগিব। তাৰ বাবে তহঁতৰ দৰে নতুন চামে নিজকে প্ৰস্তুত কৰিব লাগিব, পঢ়ি-শুনি জানি-বুজি ... সকলোকে বিশ্বাসত লৈ নিজৰ নিজৰ এলেকাৰ মংগলময় বিকাশৰ বাবে ... কাম কৰিব লাগিব...

মীৰা – হ’ব বৰদেউটা! ময়ো ডাঙৰ হ’লে ঠিক তুমি কোৱা পথেৰেই চলিম। .. বৰদেউটা! এতিয়া বাৰু তুমি...??

বিহু - ... তইতো জানই! সদায় এই সময়ত মই... আমাৰ পৰ্য্যটক বাংলা দুটাৰ তদাৰকি কৰিবলৈ যাওঁ। .. কি হ’ল? যাবি নেকি আজি তয়ো মোৰ লগতে ...

মীৰা – যামতো! পিছে, মই অকলে নহয়, মোৰ লগতে আইতা – মাও যাব। .. আইতা মা ওলোৱা... বৰদেউতাৰ বাংলা চাই আহোগৈ...

ব্ৰজ – ব’ল, তেনেহ’লে...

(সজোৰে বাহন ষ্টাৰ্ট কৰাৰ আৰু চলি যোৱাৰ শব্দ। আনন্দমুখৰ সংগীত।)

*************************************************************

প্ৰশ্ন / প্ৰস্তুতি ড° শ্যামা প্ৰসাদ শৰ্মা

১. পৃথিৱীত প্ৰতি –কিমানজন মানুহৰ ভিতৰত এজন পাহাৰবাসী?

উ – দহজনৰ ভিতৰত এজন।

২. শিৱশক্তি পাহাৰ এলেকা পৰ্য্যটন কেন্দ্ৰৰূপে গঢ়ৰি তোলাৰ পিছতো তাৰ প্ৰাকৃতিক দুৰ্য্যোগ নহোৱাৰ কাৰণ কি?

উ – বহনক্ষম বিকাশৰ নীতি – নিষেধ মানি চলা বাবে।

*************************************************************